بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণীৰ আধাৰত লা ইলাহা ইল্লাল্লাহু বাক্য ফাকিৰ আধ্যাত্মিক তত্ত্বৰ ব্যাখ্যা। জগতৰ সাধাৰণ শান্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ্থে দোৱাৰ আহ্বান।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ এপ্ৰিল ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে লা ইলাহা ইল্লাল্লাহু সেই কলিমা যি তৌহিদৰ বুনিয়াদ। আঁহজৰত (ছাঃ)য়ে কৈছে যে নিশ্চয় আল্লাহ তা'লা সেইজন ব্যক্তিৰ নিমিত্তে অগ্নি নিষিদ্ধ কৰি দিছে যিজনে আল্লাহৰ সন্তুষ্টিৰ অৰ্থে লা ইলাহা ইল্লাল্লাহ পঢ়ে। গতিকে যেতিয়া আল্লহৰ সন্তুষ্টিৰ বাবে তাৰ ফালে শীৰ নত কৰি একমাত্ৰ আল্লাহলৈ মনোযোগ নিবদ্ধ কৰি মানুহে লা ইলাহা ইল্লাল্লাহ পঢ়ে তেতিয়া সি আল্লাহ তা'লাৰ কৃপাৰ অংশীদাৰ হৈ পৰে।

যেনেকৈ আঁহজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লা জাহান্নামৰ অগ্নি সেই জন ব্যক্তিলৈ নিষিদ্ধ কৰি দিব, এই শিক্ষাই বিগত সকলো আম্বিয়া সকলে লৈ আনিছিল। তাৰেই সকলোতকৈ উত্তম কলিমা যি মই কৈছো আৰু আগৰ নবী সকলেও কৈছে সেয়া হ'ল লা ইলাহা ইল্লাল্লাহু ওৱাহদাহু লাশাৰিকা লাহু। গতিকে এই শিক্ষাই সকলো আম্বিয়াৰ শিক্ষা। কিন্তু দুৰ্ভাগ্য বশত সেই সকলোবোৰ আম্বিয়াৰ সম্প্ৰদায়ে এই শিক্ষা পাহৰি পেলাই পোনে পোনে গৈ শিৰিকত হাঙুৰ খাই পৰিছে। আমিয়ে সৌভাগ্যবান যে আল্লাহ তা'লা আমাক আঁহজৰত (ছাঃ)ৰ উম্মতৰ মাজত অন্তৰ্ভুক্ত কৰি সেই পৰিপূৰ্ণ শিক্ষা প্ৰদান কৰিছে, যিয়ে শিৰিকৰ অন্ত পেলাইছে আৰু তেখেত (ছাঃ)য়ে তৌহিদৰ প্ৰকৃত পাঠ পঢ়াই আমাৰ জাগতিক আৰু আখেৰাতক সৌন্দৰ্যময় কৰি দিছে; গতিকে এতিয়া যিজনে আঁহজৰত (ছাঃ)ৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰিব আৰু একাগ্ৰচিত্তে খোদা তা'লাৰ একত্ব স্বীকাৰ কৰিব,তেওঁৰেই আল্লাহ তা'লাৰ কৃপাৰ অধিকাৰী হ'ব আৰু আঁহজৰত (ছাঃ)ৰ মধ্যস্ততাৰ অংশ লাভ কৰিব।

আঁহজৰত (ছাঃ)ৰ মধ্যস্ততা লাভৰ বাবে মোহ,মিশ্ৰিত নাথাকে। তেখেত (ছাঃ)সেইজন শেষ আৰু পৰিপূৰ্ণ নবী যাক আল্লাহ তা'লা উম্মতৰ বাবে মধ্যস্ততা কৰাৰ অধিকাৰ প্ৰদান কৰিছে। গতিকে তেখেত (ছাঃ)ৰ সিফায়ত

লাভ কৰিবলৈ আল্লাহ তা'লাৰ আদেশ অনুযায়ী আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰাৰ আৱশ্যক আছে।

আমি আহমদী সকলে বৰ সৌভাগ্যবান যে আমাক আল্লাহ তা'লাই এই যুগৰ ইমাম আৰু আঁহজৰত (ছাঃ)ৰ সত্য দাসক মান্য কৰাৰ সৌভাগ্য দান কৰিছে, যিজনে ইছলামী আহকামবোৰ বিতং ভাৱে আমাক বুজাই থৈ গৈছে। তেখেত (আঃ)য়ে লা ইলাহা ইল্লাহুৰ গূঢ়াৰ্থ বুজাই দিয়াৰ লগতে আমাক ৰছুলুল্লাহ (ছাঃ)ৰ মোকাম আৰু মৰ্যাদা সম্পৰ্কেও বুজাইছে। এতিয়া মই এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ কিছুমান লিখনী আগবঢ়াও,যিবোৰ এই বৰ্ণনাৰ ওপৰত উত্তম ভাৱে আলোকপাত কৰে আৰু আমাক এইফালে আকৰ্ষিত কৰে যে আমিও এই বিষয়ে জ্ঞানান্বিত হৈ কেনেদৰে নিজকে মূল্যায়ন কৰা উচিত।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা'লাই নিজৰ বাণীত **আলইয়ামা আকমালতু** শব্দৰ ব্যাখ্যা নিজেই কৰি দিছে। তাতে তিনিটা নিদৰ্শনৰ বৰ্ণনা কৰিছে। প্ৰথম **আচলুহা চাবিতুন** যাৰ মূল শিপা দৃঢ় ভাৱে প্ৰতিষ্ঠিত আছে। দ্বিতীয় নিদৰ্শন হ'ল **ফাৰউহা ফিচ্ছামায়ি** ইয়াৰ ভাল পাত আচমানৰ শীৰ্ষ বিন্দু চুই আছে। তৃতীয় নিদৰ্শন হ'ল **তুতি উকুলাহা কুল্লা হিন** যে সদায় সতেজ ফল দান কৰে। কৈছে যে ইছলামেই সেই দ্বীন যিয়ে এই সকলোবোৰ মানৰ অধিকাৰী হৈ আছে; আৰু কৈছে যে প্ৰথম নিদৰ্শনৰ ভিত্তি হ'ল ঈমান, যাৰ দ্বাৰা কোৰাণ কৰিমত উল্লেখ কৰিছে, কিন্তু সেইবোৰ সাধাৰণ চমু আলোচনাত বৰ্ণনা কৰি শেষ কৰাৰ উপায় নাই। খোদা তা'লাৰ প্ৰদত্ত সমূহ বিষয়াবস্তু আৰু নিজামে আলমৰ ছিলছিলাই স্পষ্ট ভাৱে জনাই আছে যে এই ব্ৰহ্মাণ্ডৰ গঢ়োতা এজন আছে, যাৰ দৰ্পে এই গুণাৱলী আছে যে সি ৰহমান,ৰহিম,স্বাধীন ওৱাহেদ লাশাৰিক, চিৰন্তন আৰু নিজৰ সিদ্ধান্তত চূড়ান্ত। লগতে সকলো গুণাৱলী পৰিপূৰ্ণ আৰু ওহী নাযিল কৰাত ক্ষমতা সম্পন্ন। গতিকে **লা ইলাহা ইল্লাল্লাহ** কেৱল এটা উপাস্য হোৱাৰ ধাৰণা মনত জাগ্ৰত নকৰে বৰং এই বিষয়টোও হৃদয়ত বিস্তাৰ কৰি দিয়ে যে আমাৰ খোদা আদিৰে পৰা আছে আৰু অন্তলৈকে থাকিব। সি সকলো সৃষ্টিৰ স্ৰষ্টা আৰু সকলো প্ৰয়োজনতে তাৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগিব। গতিকে যেতিয়া ঈমানৰ পৰিপক্কতা এনে অৱস্থালৈ আহিব তেতিয়াহে সেয়া পৰিপূৰ্ণ ঈমানত পৰিগণিত হ'ব। তাতে শিৰিকৰ গলিজ থাকিব নোৱাৰে আৰু এয়াই সেই ঈমান যাৰ বিষয়ে আঁহজৰত (ছাঃ)য়ে কৈছে যে একাগ্ৰচিত্তে লা ইলাহা ইল্লাল্লাহুৰ ওপৰত ঈমান স্থাপন কৰোঁতা জনলৈ জাহান্নামৰ অগ্নি হাৰাম (নিষিদ্ধ)।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা'লাই একমাত্ৰ সেই পৰিপূৰ্ণ সত্ত্বা যাৰ পৰা সহায় বিচৰাৰ যোগ্যতা ৰাখে আৰু কোনেও এই ক্ষমতা প্ৰাপ্তিৰ অধিকাৰ নাই। ইয়াৰ ওপৰতে কোৰাণ কৰিমে বিশেষ ভাৱে জোৰ দিছে গতিকে কৈছে যে ইবাদতও তোমাৰেই কৰা হয় আৰু তোমাৰেই উপাসনা কৰিবলৈ সহায় তোমাতেই বিচৰা হয়। ইয়াৰ দ্বাৰা বুজা যায় যে সহায় কৰাৰ আচল অধিকাৰ একমাত্ৰ খোদা তা'লাৰহে আছে। আন এটা শ্ৰেণীত এনে ধৰণৰ এটা অধিকাৰ আল্লাহৰ ভৃত্য মহাপুৰুষ সকলক দিয়া হৈছে যে তেওঁলোকৰ দোৱাৰ জৰিয়তে খোদাৰ সহায় লাভ কৰিব পৰা যায়। কৈছে যে আমাৰ উচিত নহয় যে কোনো এটা কথা নিজৰ ফালৰ পৰা বনাই লওঁ বৰং আমি আল্লাহ তা'লাৰ বাণী আৰু ৰছুলুল্লাহ (ছাঃ)ৰ বাণীৰ ভিতৰত থকা উচিত। ইয়াৰে নাম ছিৰাতে মুছতাকিম আৰু এই বিষয়টো লা ইলাহা ইল্লাল্লাহু মুহাম্মাদুৰ ৰাছুলুল্লাহ ৰ প্ৰথম অংশৰ পৰা বুজিব পৰা যায় যে মানৱৰ প্ৰেমিক আৰু প্ৰয়োজন পূৰ্ণ কৰোঁতা আল্লাহ তা'লাই হোৱা উচিত। আনফালে ৰিছালতে মহম্মদীয়া (ছাঃ)ৰ প্ৰকৃত অৰ্থও প্ৰকাশ পায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে লা ইলাহা ইল্লাল্লাহুৰ হ'ক আদায় নহয় যেতিয়ালৈকে এয়া কওঁতাই নিজৰ স্বীকাৰৰ সৈতে আমল কৰি দেখুৱাই নিদিয়ে। মুঠতে এয়াই হ'ল ঈমানৰ চৰ্ত। হকুকুল্লাহ আৰু হকুকুল ইবাদৰ চৰ্ত অনুসৰি আমল কৰাৰও প্ৰয়োজন আছে তেতিয়াহে কওঁতাজনে লা ইলাহা ইল্লাল্লাহুৰ ওপৰত আমল

কৰোঁতা হ'ব পাৰে আৰু তেহে গৈ এনেকুৰা মানুহজন খোদা তা'লাৰ ওচৰত মিছলীয়া সাব্যস্ত নহয়।

এই কলিমাৰ দ্বিতীয় অংশখিনি দৃষ্টান্ত স্বৰূপে আছে। আম্বিয়াসকল এক আদৰ্শ স্বৰূপ আহি থাকে আৰু আঁহজৰত (ছাঃ)আটাইতকৈ ডাঙৰ নবী আছিল, যাৰ মাজত সকলো নবীৰ আদৰ্শ জমা আছিল। আল্লাহ তা'লাৰ আদেশৰ ওপৰত শুদ্ধ ভাৱে আমল আৰু শুদ্ধ বৰ্ণনা তেখেত (ছাঃ)য়ে আগবঢ়াইছে আৰু আমল কৰি দেখুৱাই গৈছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ মান্যকাৰী সকলক নচিহত কৰোঁতে কৈছে যে প্ৰদৰ্শনীয় বয়াতে কোনো লাভ নিদিয়ে। তেনেকুৰা বয়াতৰ অংশীদাৰ হোৱা বৰ কঠিন, যেতিয়ালৈকে নিজৰ অস্তিত্বক নেওচি একাগ্ৰচিত্তে যাৰ বয়াত কৰা হয়, তাৰ লগত দিয়া হয় তেতিয়াহে বয়াতে লাভালাভ প্ৰদান কৰিব। যিমানদুৰ সম্ভৱ নিয়মনীতি আৰু ইবাদতৰ ক্ষেত্ৰত মুৰছিদৰ দৰে হ'ব লাগিব আৰু পূৱাৰে পৰা গধূলিলৈকে নিজকে নিজৰ হিচাপ পৰীক্ষণ কৰিব লাগিব যে আমি কিমানখিনি লা ইলাহা ইল্লাল্লাহৰ ওপৰত আমল কৰিলোঁ। আকৌ কৈছে যে মই কেতিয়াও বিচৰা নাই যে মুছলমান সকলে কেৱল মাত্ৰ কলিমা পঢ়ি বহি থাকক বৰং নিজৰ ব্যৱসায় বাণিজ্য চাকৰি বাকৰিতও ব্যস্ত থাকিব লাগিব। কিন্তু এইবোৰৰ লগতে খোদা তা'লাৰ হ'ক প্ৰাপ্য আদায় কৰাৰ প্ৰতিও মনোযোগ দিব লাগিব। আল্লাহ তা'লাৰ ভয় ব্যৱসায়ৰ সময়তও হৃদয়ত পোষণ কৰিব লাগিব। সকলো বিষয়তে দ্বীনক প্ৰাধান্য দিব লাগিব আৰু জগত খনেই যেন তৃপ্তিৰ আধাৰ নহয়, আচল উদ্দেশ্য ধৰ্ম হ'ব লাগিব তেহে গৈ জাগতিক কাম-কাজও দ্বীনত পৰিণত হ'ব। চাহাবা (ৰাঃ) সকলে কঠিনতাক কঠিন সময়তও খোদা তা'লাক এৰি দিয়া নাছিল বৰং দোৱাৰ ওপৰত বেছি জোৰ দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কলিমাৰ গূঢ়াৰ্থ আৰু ইয়াৰ আচল মূলভাৱ আৰু ইয়াৰ ওপৰত আমল কৰা সম্পৰ্কে কৈছে যে ঈমান স্থাপন কৰা হ'ল সেয়া য'ত আমল কৰি সেইবোৰৰ বিষয় প্ৰকাশিত কৰা হয় যিবোৰ আল্লাহ তা'লাৰ নিৰ্দেশ কোৰাণ কৰিমত বৰ্ণিত হৈছে। গতিকে যিজনে সত্য তনমনেৰে লা ইলাহা ইল্লাল্লাহুক মানি লৈছে, তেওঁ বেহেস্তত প্ৰৱেশ কৰিব পাৰিব। সেয়ে তাৰ ওচৰত খোদাৰ বাহিৰে কোনেও প্ৰিয় হ'ব নোৱাৰে আৰু তেওঁ কেৱল আল্লাহৰেই সন্তুষ্টি বিচাৰি থাকে আৰু কষ্টত কেতিয়াও অধিৰ নহয় কাৰণ তাৰ বিশ্বাস থাকে যে আল্লাহ তা'লা নিজৰ বন্ধুৰ সহায়ৰ বাবে তৎক্ষণাত আহি উপস্থিত হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেতিয়ালৈকে হকুকুল্লাহৰ প্ৰকৃত অৰ্থ বিচাৰি পাব নোৱাৰে। এজন ভায়েকে আন এজন ভায়েকৰ অধিকাৰ খৰ্ব কৰে আৰু বাস্তৱ সামগ্ৰীৰ ওপৰত ইমান ভৰসা কৰে যে খোদা তা'লাক মাত্ৰ নামতহে তৌহিদৰ গূঢ়াৰ্থ বুজি পায়।

যদি মানুহে কলিমাৰ অৰ্থ বুজিবলৈ হয় আৰু তাৰ ওপৰত আমল কৰোঁতা হয় তেন্তে তেওঁলোকে উন্নতিৰ চৰম শিখৰত উপনীত হ'ব পাৰিব, আৰু খোদা তা'লাত বিস্ময়কৰ কুদৰত দেখিবলৈ পাব। সঁচা ভক্ত তেতিয়াহে হ'ব পাৰিবা যেতিয়া সকলো ধৰণৰ পাপ কাৰ্য্যক আঁতৰ কৰিব পাৰিব। গতিকে এই ৰমজান মাহত আমি প্ৰত্যেকেই চেষ্টা কৰা উচিত যে আমি এইবোৰ গোনাহৰ পৰা পৱিত্ৰ হওঁ আৰু লা ইলাহা ইল্লাল্লাহৰ ওপৰত প্ৰকৃত ঈমান স্থাপন কৰোঁতা হওঁ। আল্লাহ তা'লা আমাক ৰমজানৰ বাকী দিনবোৰত চেষ্টা আৰু দোৱাৰ দ্বাৰা নিজৰ ভিতৰৰ সকলো গোনাহ দূৰ কৰাৰ তৌফিক দান কৰক।

ৰমজানৰ শেষ দহটা দিনত আমি লায়লাতুল কদৰ বিচাৰি থাকো। লায়লাতুল কদৰ দৰাচলতে সেই সময়ত পোৱা যায় যেতিয়া আমি নিজৰ প্ৰত্যেক কথা আৰু কাৰ্য্য আল্লাহ তা'লাৰ আদেশ অনুযায়ী সম্পাদন কৰোঁতা হ'ম আৰু আমল কৰোঁতা হ'ম আৰু এইবোৰ আমি নিজৰ জীৱনৰ অংগ বনাওঁতা হ'ম। এই সকলোবোৰেই লায়লাতুল

কদৰ পোৱাৰ প্ৰকৃত চিহ্ন। ইয়াৰে আচল চিহ্ন হ’ল ৰমজানত আমি কিমানখিনি জাগৰণ আমাৰ হৃদয়ত জন্মাব পাৰিছো।

কিছুমান জামাতত মোৰ এই কথাবোৰ আগত ৰাখি  দোৱাৰ প্ৰোগ্ৰাম পাতিছে যে যদি আমি একাগ্ৰচিত্তে একেলেথাৰিয়ে তিনিদিন দোৱা কৰো তেন্তে আল্লাহ তা’লাৰ বিশেষ কৃপা নাযিল হ’ব পাৰে। যদি আমি এই তিনিটা দিন এই উদ্দেশ্য লৈ ঠিক কৰো যে তিনিটা দিন দোৱা কৰিম তাৰ পিছত আকৌ নিজৰ পুৰণি দিনবোৰৰ কাৰুকাৰ্য্যলৈ ওভতি যাম তেন্তে মনত ৰাখিবা আল্লাহ তা’লা আমাৰ মনৰ অৱস্থা ভালদৰে জানে, আমাৰ নিয়ত সম্পৰ্কেও জানে তাৰ দৃষ্টিৰ পৰা কোনো বস্তুৱেই লুকাব নোৱাৰে। এনেকুৱা অৱস্থা হলে তাৰ একোৱে লাভ নহয়। কিন্তু যদি আল্লাহ তা’লাক সন্তুষ্ট কৰাৰ নিমিত্তে দিনাতিপাত কৰিব বিচাৰে তেন্তে এই শপত লৈ পাৰ হ’ব লাগিব যে এতিয়াৰে পৰা দ্বীন আমাৰ জীৱনৰ স্থায়ী অংগ হ’ব; যি যন্ত্ৰণা আমাক বিৰুদ্ধবাদী সকলে দি আছে সেইবোৰ আঁতৰাবলৈ খোদা তা’লাই নিজৰ বিশেষ সহায় প্ৰদান কৰিব। ইনশা আল্লাহ-

হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে আল্লাহ তা’লাৰ প্ৰতিশ্ৰুতি আছে যে তেখেত (আঃ) আৰু তেখেত (আঃ)ৰ জামাতক বিজয় দান কৰিব। হয় ! যদি আমি লা ইলাহা ইল্লাল্লাহুৰ গূঢ়াৰ্থ বুজি লৈ নিজৰ মাবুদ মকছুদ আৰু মেহবুব খোদা তা’লাৰ সত্ত্বাক বনাই লওঁ আৰু জগতত‌কৈ খোদা তা’লাক বেছি ভাল পাওঁ তেন্তে জাগৰণ অতি সোনকালেই আহিব পাৰে। আমি নিজৰ অৱস্থাত চিৰস্থায়ী পৰিৱৰ্তন অনাৰ শপত ল’ব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সৰ্ব শেষত কয় যে এতিয়া বিশ্বৰ সাধাৰণ শান্তি ঐক্য আৰু ন্যায় প্ৰতিষ্ঠাৰ্থে দোৱা কৰিব। আল্লাহ তা’লা মানৱীয়তাৰ ওপৰত কৃপা আৰু দয়া কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ، عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 14 APRIL 2023**

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................

........................................................................................................................

........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844